**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-06-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

----------------------------

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ অধীনস্থ জাতিংগা আৰু লামপুৰৰ মাজৰ এঠাইত ৰে'লপথত হোৱা প্ৰবল ভূমিস্খলনৰ বাবে লামডিং আৰু শিলচৰৰ মাজত সকলোধৰণৰ ৰে'লসেৱা যোৱানিশাৰে পৰা বাতিল কৰা হৈছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেই জনোৱা মতে ইয়াৰ ফলত ১৫৬১৫ গুৱাহাটী শিলচৰ এক্সপ্ৰেছ, ১৫৬১১ আৰু ১৫৬১২ ৰঙিয়া-শিলচৰ এক্সপ্ৰেছ, ১৫৬১৭ আৰু ১৫৬১৮ দুৰ্লভছৰা গুৱাহাটী এক্সপ্ৰেছ, নাহৰলগুন-শিলচৰ এক্সপ্ৰেছ, কাঞ্চনজংঘা এক্সপ্ৰেছ, তিৰুচিৰাপল্লী এক্সপ্ৰেছ, ৰে'লগাড়ীকেইখনৰ যাত্ৰা অনিৰ্দিষ্ট কাললৈ বাতিল কৰা হৈছে। আমাৰ হোজাইৰ সংবাদদাতাই জনোৱা মতে ৰে'লগাড়ীসমূহ বাতিল হোৱাৰ ফলত লামডিং জংচনত বৰ্তমান বৰাক উপত্যকা আৰু ডিমা হাচাওলৈ যাবলগীয়া যাত্ৰীসকলৰ যথেষ্ট ভিৰ পৰিলক্ষিত হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কাছাৰ জিলাৰ বদৰপুৰৰ গেমন দলঙৰ মেৰামতিৰ কাম চলি থকাৰ লগতে শিলচৰ-কালাইন পথৰ হাৰাং দলং ভাগি পৰাৰ ফলত বৰাক উপত্যকাৰ সৈতে দেশৰ বাকী অংশৰ পথ যোগাযোগো বিচ্ছিন্ন হৈ আছে। এনে পৰিস্থিতিত আজি গুৱাহাটীত হ'বলগীয়া প্ৰত্যক্ষ নিযুক্তি প্ৰক্ৰিয়াৰ অধীনৰ নথি পৰীক্ষণ আৰু মৌখিক পৰীক্ষা বৰাক উপত্যকাৰ প্ৰাৰ্থীসকলৰ বাবে স্থগিত ৰখা হৈছে।

ooooo

শিৱসাগৰৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰৰ ভটিয়াপাৰত থকা ১৪৭ নম্বৰ তৈলখাদটোৰ পৰা হোৱা গেছ নিৰ্গমন অহা দুই-এদিনৰ ভিতৰতে সম্পূৰ্ণকৈ নিয়ন্ত্ৰিত হোৱাৰ আশা কৰা গৈছে। তিনিগৰাকী মাৰ্কিন তৈলখাদ বিশেষজ্ঞ – কেনেট ৰাইট, ৰবাৰ্ট মেলানকন আৰু উইলিয়াম মেকড'নাল্ডৰ তত্বাৱধানত গেছ নিৰ্গমন বন্ধ কৰিবলৈ চলাই থকা অভিযান আজিও অব্যাহত আছে। গেছ নিৰ্গমনৰ উৎস বন্ধ কৰাৰ বাবে গুৱাহাটীৰ পৰা নিয়া বুম ক্ৰেন অৰ্থাৎ দীঘলীয়া ক্ৰেনখনকো কামত লগোৱা হৈছে। আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে গেছ নিৰ্গমনৰ পৰিমাণ হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত কৰ্তৃপক্ষই ঘটনাস্থলীৰ ৫০০ মিটাৰ ব্যাসাৰ্ধৰ বাহিৰৰ অঞ্চলত ঘৰুৱা ৰন্ধন কাৰ্য চলোৱাৰ অনুমতি দিছে। কালি বিয়লি ঘটনাস্থলী পৰিদৰ্শন কৰা মন্ত্ৰী যোগেন মহন, প্ৰদেশ বিজেপিৰ উপ-সভাপতি তপন গগৈ আৰু সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ নেতৃত্বৰ সঁজাতি দলটোৱে স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰি তেওঁলোকক আশ্বস্ত কৰাৰ প্ৰয়াস চলায়। আমাৰ শিৱসাগৰৰ সংবাদদাতা মুজাহিদ আলীয়ে জনোৱা মতে ঘটনাস্থলীত বৰ্তমান শব্দ প্ৰদূষণ যথেষ্ট হ্ৰাস পাইছে আৰু বৰষুণো এৰাত গেছ নিৰ্গমন প্ৰতিৰোধ ব্যৱস্থা অধিক গতিশীল হৈছে।

oooooo

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ পৰীক্ষাৰ প্ৰশিক্ষণৰ বাবে সদৌ অসম ছাত্ৰ সন্থাই অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীক দিল্লীত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্যই সংবাদ মাধ্যমযোগে কালি এই কথা প্ৰকাশ কৰে। কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱা, অৱতীৰ্ণ হোৱা আৰু স্থান লাভ কৰাৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ যুৱক-যুৱতীৰ সংখ্যা বৃদ্ধি কৰিবলৈ ব্যাপক পৰিকল্পনা আৰু প্ৰচেষ্টাৰ প্ৰয়োজন আছে বুলি ছাত্ৰ সংগঠনটোৰ প্ৰতিনিধিয়ে মত প্ৰকাশ কৰে। এই উদ্দেশ্যেৰে সদৌ অসম ছাত্ৰ সন্থাই অসমৰ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীক লোকসেৱা আয়োগৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাত উৎসাহ যোগোৱা আৰু অসমৰ পৰা দক্ষ প্ৰশাসনিক বিষয়া সৃষ্টি কৰাৰ অৰ্থে বিশেষ পৰিকল্পনা গ্ৰহণ কৰিছে। **প্ৰত্যাশা** শীৰ্ষক প্ৰকল্পৰ অধীনত ছাত্ৰ সংগঠনটোৱে চলিত বৰ্ষৰ কেন্দ্ৰীয় লোকসেৱা আয়োগৰ প্ৰাৰম্ভিক পৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ ২৫ গৰাকী পৰীক্ষাৰ্থীলৈ মূল পৰ্যায়ৰ পৰীক্ষাৰ বাবে সহায়-সমৰ্থন আগবঢ়াব। প্ৰাৰম্ভিক পৰ্যায়ৰ পৰীক্ষাত সফলতা লাভ কৰা ইচ্ছুক পৰীক্ষাৰ্থীসকলে ছাত্ৰসন্থাৰ ৱেবছাইট WWW.AASU.ORG.IN লৈ গৈ অহা ২৯ জুনৰ ভিতৰত প্ৰপত্ৰ পূৰ কৰি আবেদন কৰিব পাৰিব। জুলাইৰ প্ৰথম সপ্তাহতে নিৰ্বাচিত ২৫ গৰাকী প্ৰশিক্ষাৰ্থীক

এই সমৰ্থন আগবঢ়োৱা হ'ব। যদি প্ৰাৰম্ভিক পৰীক্ষাত কৃতকাৰ্য হোৱা কোনো পৰীক্ষাৰ্থীয়ে মূল পৰীক্ষাৰ প্ৰশিক্ষণৰ বাবে ইতিমধ্যে কোনো প্ৰতিষ্ঠানত নামভৰ্তি কৰিছে, তেনে পৰীক্ষাৰ্থীয়েও আবেদন কৰিব পাৰিব। প্ৰকল্পৰ দ্বিতীয় পদক্ষেপ অনুসৰি প্ৰতি বছৰে অসমৰ পৰা ২৬ গৰাকী আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আন ৰাজ্যসমূহৰ পৰা নেছ'ৰ জৰিয়তে দুগৰাকীকৈ ১৪ গৰাকী অৰ্থাৎ মুঠ ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীক পৰীক্ষাৰ প্ৰশিক্ষণৰ বাবে ছাত্ৰ সন্থাই দিল্লীলৈ প্ৰেৰণৰ সিদ্ধান্ত লৈছে। অতি শীঘ্ৰেই এই সন্দৰ্ভত ছাত্ৰ সন্থাই বিস্তৃত ব্যাখ্যা দাঙি ধৰিব বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে দিল্লীত প্ৰশিক্ষণৰ সময়ছোৱাত দিল্লীস্থিত সদৌ অসম ছাত্ৰ সন্থাই প্ৰশিক্ষাৰ্থীসকলৰ সৈতে সমন্বয় ৰক্ষা কৰি চলিব। এই পৰিকল্পনা আগুৱাই নিয়াৰ ক্ষেত্ৰত অসমৰ অসামৰিক সেৱাৰ কেইবাগৰাকীও অৱসৰপ্ৰাপ্ত বিষয়া আৰু বিশ্ববিদ্যালয়ৰ প্ৰাক্তন আৰু বৰ্তমানৰ উপাচাৰ্যই ছাত্ৰ সংগঠনটোক পৰামৰ্শ আগবঢ়াব।

০০০০০০

ৰে'ল আৰক্ষীয়ে নিউ বঙাইগাঁও ৰে'ল ষ্টেচনৰ পৰা কালি সন্ধিয়া দুজন বাংলাদেশী নাগৰিকক আটক কৰে। ৰে'ল সুৰক্ষা বাহিনীয়ে সন্দেহজনকভাৱে ষ্টেচনত ঘূৰি ফুৰা গোলাম ৰাববানী নামৰ লোকজনক আটক কৰাৰ কিছু সময়ৰ পাছতে গোলামৰ ভাতৃ আশাৰুল ইছলামকো আটক কৰে। বাংলাদেশৰ ৰাজশ্বাহী জিলাৰ লোকদুজনে নিউ বঙাইগাঁও ৰে'ল ষ্টেচনৰ পৰা তাম্বমৰ এক্সপ্ৰেছ ৰে'লেৰে মুম্বাইলৈ যোৱাৰ পৰিকল্পনা কৰিছিল বুলি ৰে'ল আৰক্ষীয়ে জনাইছে। আৰক্ষীয়ে তেওঁলোকৰ পৰা পশ্চিমবংগত প্ৰস্তুত কৰা আধাৰ কাৰ্ড আৰু বাংলাদেশৰ ছীমকাৰ্ড থকা দুটা ম'বাইল ফোন জব্দ কৰে।

০০০০০০০

অৰুণাচল প্ৰদেশৰ উৎস অঞ্চলত হৈ থকা বৰষুণৰ বাবে ৰঙানদী জলবিদ্যুৎ প্ৰকল্পৰ জলাধাৰৰ পানী উচ্চতম সীমা অতিক্ৰম কৰাৰ উপক্ৰম হৈছে। নীপকোৰ সূত্ৰৰ উদ্ধৃতি দি আমাৰ লখিমপুৰৰ সংবাদদাতাই জনোৱা মতে ইয়াজুলিত থকা ৰঙানদীৰ প্ৰকল্পৰ নিয়ন্ত্ৰণ কক্ষই বৰষুণ হৈ থাকিলে ৰঙানদী প্ৰকল্পৰ দুৱাৰ খুলি দিয়াৰ সিদ্ধান্ত ল'বলগীয়া হ'ব। ইয়াৰ ফলত ৰঙানদীৰ নামনি অংশৰ লখিমপুৰ জিলাৰ ভালেমান ঠাই প্লাৱিত হোৱাৰ আশংকা আছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই অহা ১ জুলাইত ইয়াৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস বিস্তৃত কাৰ্যসূচীৰে পালনৰ আয়োজন কৰিছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে বিভাগটোৰ উত্তৰণৰ বাবে কাম কৰি যোৱা কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ আলোকচিত্ৰ বাতৰি বিভাগৰ লবীত স্থাপনৰ ব্যৱস্থা কৰিছে। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰ কেইখন ১ জুলাইত আনুষ্ঠানিকভাৱে স্থাপন কৰা হ'ব।

প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই সেইদিনা দিনৰ ১০ বজাত গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। সেইদিনাই সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত এটা বিচিত্ৰানুষ্ঠানৰ আয়োজন কৰিছে। উল্লেখযোগ্য যে আকাশবাণী গুৱাহাটীয়ে ৭৭ বছৰ ইতিহাসত এইয়ে প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ বাহিৰত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০

**সমাপ্ত**